Total No. of Printed Pages—3

**6 SEM TDC ASM M 4**

**2 0 1 7**

( May )

ASSAMESE

( Major )

Course : 604

( বিশ্ব সাহিত্যৰ পৰিচয় )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ (যি কোনো আঠটা) : ১×৮=৮

(ক) বিশ্বসাহিত্য অভিধাটো ভাৰতবৰ্ষত প্ৰথম কোনে ব্যৱহাৰ কৰিছিল ?

(খ) খালী ঠাইত উপযুক্ত শব্দটো লিখাঁ :

“কাব্যেষু ____ ৰম্যং তত্ৰ ৰম্যা শকুন্তলা।”

(গ) অসমীয়ালৈ অনূদিত ‘জীৱন্মৃত’ কবিতাটোৰ মূল ইংৰাজী কবিতাটোৰ নাম কি ?

*(Turn Over)*

(ঘ) 'উপমা কালিদাসস্য' গ্ৰন্থখনৰ লেখক কোন?

(ঙ) মোপাছাঁ কোন দেশৰ লেখক আছিল?

(চ) এণ্টন চেখভৰ সম্পূৰ্ণ নাম কি?

(ছ) আধুনিক চুটিগল্পৰ বাটকটীয়া অ' হেন্‌ৰীৰ প্ৰকৃত নাম কি?

(জ) 'কিং লিয়াৰ' নাটকখনৰ 'অশ্ৰুতীৰ্থ' নামেৰে অসমীয়ালৈ কোনে অভিযোজনা কৰিছিল?

(ঝ) আফ্‌কে আৰু মাৰ্টিনৰ সন্তান কেইটা আছিল?

(ঞ) শকুন্তলাৰ দুয়োজনী সখীৰ নাম লিখাঁ।

২। (ক) বিশ্বসাহিত্য সম্পৰ্কে ৰবীন্দ্ৰনাথ ঠাকুৰৰ ধাৰণাৰ আলমত এটি আলোচনা আগবঢ়োৱাঁ।

অথবা

(খ) "বিশ্বসাহিত্য ৰচিত হোৱাৰ কোনো বেলেগ দেশ নাই, ভাষা নাই, কোনো বেলেগ সময়ো নাই।" কথাষাৰৰ আলমত বিশ্বসাহিত্য সম্পৰ্কে এটি পৰিচয়মূলক টোকা লিখাঁ।

৩। (ক) কি কি বিশেষত্বৰ কাৰণে 'অভিজ্ঞান-শকুন্তলম্'ৰ চতুৰ্থ অংকটো নাটকখনৰ ভিতৰতে শ্ৰেষ্ঠ তথা সৰ্বোৎকৃষ্ট বুলি কোৱা হয়? বিশ্লেষণ কৰাঁ।





অথবা

(খ) আলোচনা কৰাঁ : ৭+৭=১৪

(১) 'অভিজ্ঞান-শকুন্তলম্' নাটকৰ চতুৰ্থ অঙ্কত শকুন্তলাৰ সখী দুগৰাকীৰ ভূমিকা

(২) কণ্বমুনিৰ চৰিত্ৰ

৪। (ক) চুটিগল্পৰ সম্ৰাটৰূপে খ্যাত মোপাছাঁৰ চমু পৰিচয় দাঙি ধৰি 'হীৰাৰ হাৰ' গল্পটোৰ কাহিনীবস্তু বৰ্ণনা কৰাঁ। ৪+১০=১৪

অথবা

(খ) 'মাৰুচীৰ স্বপ্ন' গল্পটোক চেখভৰ উৎকৃষ্ট সৃষ্টি বুলি কিয় কোৱা হয়? এটি মনঃসমীক্ষাত্মক আলোচনা আগবঢ়োৱাঁ। ১৪

৫। কবিগৰাকীৰ পৰিচয় আৰু সাহিত্যকৰ্মৰ আভাস দাঙি ধৰি পাঠ্যক্ৰমৰ যি কোনো এটা কবিতাৰ কথাবস্তুৰ বিশ্লেষণ দাঙি ধৰাঁ। ৭+৭=১৪

৬। 'অশ্ৰুতীৰ্থ' নাটকৰ যি কোনো দুটা চৰিত্ৰৰ বিশ্লেষণ আগবঢ়োৱাঁ। মূল নাটকৰ চৰিত্ৰৰ লগত তুলনা কৰি দেখুৱাবা। ৮+৮=১৬

★★★